জাতিৰ সেৱাত উৎসৰ্গিত (৫৯) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

। ৫৯ বছৰ । ২৩৭ সংখ্যা, ২১ চ'ত, বৃহস্পতিবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 59 NO. 237 । DIBRUGARH, THURSDAY, APRIL 4, 2024 । পৃষ্ঠা ১৪ (Pages 14) । ৭.০০



তবি দিওঁতা

মুখ, ৩ এপ্ৰিল ঃ মাজুলীৰ ঐতিহ্যমণ্ডিত মাদিএলেঙী সত্ৰত ২৬ মাৰ্চত নৱ-নিৰ্মিত কৰাপাট শুভ উদ্বোধন কৰা হয়। আদি সত্ৰৰ প্ৰপন্ন বৈষ্ণৱ তথা প্ৰয়াত বৰ ৱা সোণাৰাম কলিতাৰ স্মৃতিত তেওঁৰ ম্পা কলিতা আৰু পৰিয়ালবৰ্গই দান নিৰ্মাণ কৰি দিয়া উক্ত সুদৃশ্য কৰাপাট মানুষ্ঠানিকভাৱে মংগল ধ্বনিৰ মাজত ডেকা সত্ৰাধিকাৰ বুদ্ধিন গোস্বামীয়ে ভাগি উদ্বোধন কৰি সত্ৰৰ বাবে উৰ্চগা কৰে। এই উপলক্ষে পুৱা ন বজাত সত্ৰখনত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত উক্ত কৰাপাট ভাগি উদ্বোধন কৰা হয়।

কৰাপাট উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে আদিএলেঙী সত্ৰৰ নামলগোৱা কৃষ্ণৰাম হাজৰিকা আৰু বৰবায়ন ভোলাৰাম ভূঞাই। দুপৰীয়া প্ৰয়াত সোণাৰাম কলিতাৰ পৰিয়ালবৰ্গই আগবঢ়োৱা বৰসবাহ নামঘৰত অনুষ্ঠিত হয়। সহস্ৰাধিক লোকে উক্ত বৰসবাহত নাম পৰিৱেশন কৰে। সন্ধিয়া স্থানীয় সিন্ধুৰা শিল্পী সমাজে 'মৎস্য অৱতাৰ চাৰিবেদ উদ্ধাৰ' ভাওনা প্ৰদৰ্শন কৰে।

## লিগিৰীবাৰীত হৃদয় বিদাৰক ঘটনা

# খুৰীত নামি কিশোৰৰ মৃত্যু

তবি দিওঁতা

থ, ৩ এপ্ৰিল ঃ দিচাংমুখৰ আৰক্ষী চকীৰ লিগিৰীবাৰী গাঁৱৰ নিৱাসী ৰঞ্জু পাংগিং ঞ্জিতা পাংগিঙৰ দ্বিতীয় পুত্ৰ অনুৰাগ পাংগিং মান এজন ছাত্ৰই ১ এপ্ৰিলৰ আবেলি নিজা ছফালে থকা পুখুৰীত গা ধুই থকা অৱস্থাত নামৰ ছাত্ৰজন পানীৰ তললৈ সোমাই যায়। ময়লৈকে পানীৰ তলৰপৰা ওলাই নহাত াত্ৰজনে দৌৰি আহি ককায়েকক খবৰ দিয়ে। ক শচীন পাংগিঙে দৌৰি গৈ পুখুৰীত অনুৰাগক নেদেখি পানীত জাঁপ মাৰি নামি থাকোঁতেই ককায়েকো পানীত সোমাই যায়। স্থানীয় লোকে শচীন পাংগিঙক পানীৰপৰা উদ্ধাৰ কৰে যদিও বহু সময়ৰ পাছতহে ভায়েক অনুৰাগ পাংগিঙক স্থানীয় লোকসকলে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। দুয়োকে ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে অনুৰাগ পাংগিঙক মৃত বুলি ঘোষণা কৰে। উল্লেখ্য যে বীৰ লাচিত মহাবিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ শচীন পাংগিং (১৭) বৰ্তমান ডিব্ৰুগড়ৰ আদিত্য নাৰ্ছিং হ'মত চিকিৎসাধীন হৈ আছে বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। মৃত অনুৰাগ পাংগিঙক চিকিৎসকে মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কনেং এম ই স্কুলত অধ্যয়নৰত ছাত্ৰজনৰ বয়স আছিল ১৪ বছৰ।

# 'জেম' পৰীক্ষাত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ১২ শিক্ষাৰ্থীৰ সাফল্য

নিজা বাতৰি দিওঁতা

ডিব্ৰুগড়, ৩ এপ্ৰিল ঃ 'ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকনল'জী' আৰু 'ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছাইন্স'ৰ উদ্যোগত অনুষ্ঠিত হোৱা ২০২৪ বৰ্ষৰ সৰ্বভাৰতীয় সদ্যঘোষিত প্ৰতিযোগিতামূলক পৰীক্ষাত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ১২ গৰাকী শিক্ষাৰ্থীয়ে সাফল্য লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে মহাবিদ্যালয়খনৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱাসকল হৈছে— ৰসায়ন বিভাগৰ পৰেশ সন্দিকৈ, নিশিতা বৰকাকতি, আস্থা বৰকাকতি, দেৱশ্ৰী দেৱনাথ, গণিত বিভাগৰ অভিমন্যু পুৰকায়স্থ, জিতুপন দাস, প্ৰিয়ঙ্কা দত্ত, পৰিসংখ্যা বিভাগৰ প্ৰিয়ঙ্কা চৌধুৰী, পদাৰ্থ বিজ্ঞান বিভাগৰ লক্ষ্যদীপ গগৈ, আকাশজ্যোতি গগৈ আৰু ধীতিৰাজ দাস।

উল্লেখ্য যে বিগত বৰ্ষতো বহু কেইগৰাকী শিক্ষাৰ্থীয়ে এই পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা গ্ৰহণ কৰি আছে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই জনোৱা মতে গণিত বিভাগৰ পৰা উত্তীৰ্ণ হৈ বিশ্বজিৎ সিং নামৰ শিক্ষাৰ্থীজনে নাগপুৰৰ এন.আই.টিত নামভৰ্তি কৰি ভাৰতবৰ্ষৰ শীৰ্ষত থকা শিক্ষাৰ্থী হিচাপে নিজৰ প্ৰতিভাৰ পৰিচয় দি প্ৰধানমন্ত্ৰীৰ শিক্ষা বৃত্তি লৈ বৰ্তমান মাদ্ৰাজৰ আই.আই.টিত গণিত বিষয়ত গৱেষণা কৰি আছে। এনে বৃত্তি লাভ কৰাতো মহাবিদ্যালয়খনৰ কাৰণে গৌৰৱৰ বিষয় বুলি কয়। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ডঃ প্ৰিয়দেৱ গোস্বামীয়ে শিক্ষাৰ্থীৰ এনে সাফল্যত অধিক উৎসাহিত হৈ কয় যে কানৈ মহাবিদ্যালয়ে যোৱা বহু বছৰ ধৰি শৈক্ষিক ক্ষেত্ৰখনত প্ৰতিভাৰ স্বাক্ষৰ দি আহিছে।



## নাজিৰাৰ অ' এন জি চি ক

# অভিনেতা দেৱাশিস আৱাস গৃহত চু

নিজা বাতৰি দিওঁতা

নাজিৰা, ৩ এপ্ৰিল ঃ অ' এন জি চি অসম সম্পদৰ নাজিৰা মুখ্য কাৰ্যালয়ৰ নিৰাপত্তাৰ 'ফোঁপোলা স্বৰূপ উদঙাই নিগমৰ মুখ্য কাৰ্যালয়ৰ আৱাসিক এলেকাতে চোৰে চাফাই অভিযান চলোৱাক লৈ এতিয়া নাজিৰাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে ঘৰত কোনো নথকাৰ সুযোগ লৈ ২০ মাৰ্চৰ নিশা যুৱ অভিনেতা দেৱাশিস বৰঠাকুৰৰ নাজিৰা অ' এন জি চি কলনীৰ আৱাসগৃহত আলমিৰা ভাঙি চোৰে প্ৰায় ১৫ লক্ষাধিক টক বিৱৰণী অনু সুকন্যা বৰঠ গেলেকীৰ ত লৈ চোৰে সন্দৰ্ভত অ সমান্তৰালকৈ লগে নাজিৰ তদন্ত প্ৰক্ৰিয়

## শিৱসাগৰৰ সুৰ মণ্ডল কেন্দ্ৰৰ ত্ৰয়োদশ

# গিৰীশ গগৈক সমাজ হি

নিজা বাতৰি দিওঁতা

শিৱসাগ